**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬০২/২০১৯**

## আক্ৰাছুৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

## কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ

**দিছপুৰ, ২৩ ডিচেম্বৰ ঃ** সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) ৰ সভাপতিৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত সাক্ষাৎ কৰি ৰাজ্য চৰকাৰে কোঁচ ৰাজবংশী সম্প্ৰদায়ৰ বাবে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবে লোৱা সিদ্ধান্তৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্য চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মৰ সৈতে অহা প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীক তেওঁলোকৰ সম্প্ৰদায়ৰ এক বহু দিনীয়া দাবী পূৰণৰ বাবেও ধন্যবাদ জ্ঞাপন কৰে। অসমৰ আৰ্থ-সামাজিক সৱলীকৰণৰ দিশত কোঁচ ৰাজবংশী সকলৰ অনৱদ্য অৱদানৰ কথা স্বীকাৰ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধি দলটোক এই স্বায়ত্ত শাসিত পৰিষদখন যাতে দ্ৰুততাৰে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ প্ৰদানৰ বাবেও আহ্বান জনায়। সাক্ষাৎ কালত প্ৰতিনিধি দলটোৱে এই সম্প্ৰদায়টোৱে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে এই সমস্যা সমূহ সমাধানৰ দিশত প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ বাবেও মুখ্যমন্ত্ৰীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কোঁচ ৰাজবংশী সম্প্ৰদায়ৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ দিশত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে।

আজিৰ এই সাক্ষাৎ কালত সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) ৰ সভাপতি বিশ্বজিৎ ৰয়কে ধৰি অন্যান্য বিষয়ববীয়া সকলক উপস্থিত থাকে। উল্লেখ্য যে যোৱা শনিবাৰে অনুষ্ঠিত হোৱা কেবিনেট বৈঠকত কোঁচ ৰাজবংশী সকলৰ বাবে অবিভক্ত গোৱালপাৰা জিলাত কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ সিদ্ধান্ত লোৱা হৈছে।

**সুঃদঃ / বঃভাঃ /পুঃডেঃ**
**২৩/১২/২০১৯**